# 'অন্তিম জ্যোতি'

ৰঘুনাথ চৌধুৰী

মৰম ভিখাৰী মই বিশ্ব ভাণ্ডাৰত
খুজিছিলো অন্তৰৰ দান,
গৰল উদ্ভৱ হ'ল সিন্ধু মন্থনত
অমৃতৰ নাপালো সন্ধান;
উদ্দাম বাসনা ল'ই স্বৰ্ণমৃগ খেদি
সংসাৰত ভ্ৰমিলো কিমান,
দুৰ্জয় লালসা তেওঁ নুগুছিল মোৰ
ব্যৰ্থ হ'ল লক্ষ্যবেদী বাণ।
মৰ্মাহত ব্যথাহত দুৰ্বহ জীৱন
আছে মোৰ আৱৰ্তত ঘূৰি;
স্পন্দনত তন্দ্ৰাতুৰ দুৰ্বল চিত্তৰ,
জড়তাই নিছে সংজ্ঞা হৰি
ব্যথাৰ সহস্ৰ জ্বালা ব্যৰ্থতাৰ গ্লানি
বুকু পোৰা তপত উচ্ছ্বাস,
কোনোৱা গুচাব মোৰ কোনেবা শুনিব
আৰব্যৰ স্বপ্ন উপন্যাস।
জীৱনৰ ধ্ৰুৱতৰা মাৰ যাওঁ যাওঁ
অনন্তৰ অন্তিম বুকুত,
পৰম আনন্দ ৰূপ ধ্ৰুৱ জ্যোতিকণা
নাপাম নে আৰু সি লোকত?

**কবিৰ পৰিচয় (১৮৭৯ - ১৯৬৮) ঃ**

অসমীয়া ৰোমাণ্টিক যুগৰ বিশিষ্ট কবি হ'ল - ৰঘুনাথ চৌধাৰী। এইগৰাকী

কবিৰ জন্ম হয় কামৰূপ জিলাৰ লাওপাৰা গাঁৱত। তেওঁৰ দেউতাকৰ নাম আছিল ভোলানাথ চৌধাৰী। সৰুকালতে হোৱা দুৰ্ঘটনা এটাত তেওঁ চিৰদিনৰ বাবে ঘূণীয়া হয়। পাৰিবাৰিক অসুবিধাৰ বাবে তেওঁ ঘৰ এৰি গুৱাহাটীলৈ আহে যদিও পঢ়া-শুনা বাদ দি খেতি-বাতি কৰিছিল আৰু পিছত কবিতাৰ খেত্তিত মনপুতি লাগি সফলতা লাভ কৰে।

'জোনাকী'তে এওঁৰ প্ৰথম কবিতা ওলায়; গুৱাহাটীৰ 'জোনাকী'ৰ এওঁ কিছুদিন সহকাৰী সম্পাদকো আছিল। তদুপৰি শিশু আলোচনী মইনা (১৯২৩), জয়ন্তী (১৯৩৬-৩৮) আৰু 'সুৰভি'ৰো (১৯৪০, ৪২-৪৪) চৌধাৰী সম্পাদক আছিল। ৰচনা 'সাদৰী (১৯১০), কেতেকী (১৯১৮), কাৰবালা (১৯২৩), দহিকতৰা (১৯৩১) আৰু নৱমল্লিকা (১৯৫৮)। 'কাৰবালা'ৰ কৰুণ কাহিনী বিৱৰণাত্মক এখনি খণ্ড কাব্য। চৌধাৰীৰ 'নৱমল্লিকা'ক কথা কবিতা বুলি কোৱা হয়। তেখেতে 'কৰণি' নামে এখন অপ্ৰকাশিত গল্প পুথি ৰচনা কৰিছিল। কবি ৰঘুনাথ চৌধাৰীদেৱে প্ৰকৃতিৰ বুকুত মুক্তভাৱে বিচৰণ কৰা বিহঙ্গমক মূখ্য বিষয় হিচাপে লৈ কবিতা ৰচনা কৰিছিল; যাৰ বাবে তেওঁ 'বিহগী' কবি হিচাপে খ্যাতি লাভ কৰে।

কবিৰ ৰচনাত সাধাৰণতে সংস্কৃত শব্দৰ প্ৰয়োগ দেখা যায়; লগতে আৰবী, ফাৰ্চী শব্দৰ সাৰ্থক প্ৰয়োগ পৰিলক্ষিত হয়। চৌধাৰীৰ কবি প্ৰতিভাৰ বিকাশত ইংৰাজী কবিতাৰ পোনপটীয়া প্ৰভাৱ নাই। প্ৰাচীন সংস্কৃত সাহিত্যৰ দ্বাৰাহে তেওঁ অধিক প্ৰভাৱান্বিত। শব্দ-চয়ন, উপমাদি অলংকাৰ প্ৰয়োগ আৰু চিত্ৰ ৰচনাত সংস্কৃত ভাষাৰ পৰা তেওঁ আদৰ্শ গ্ৰহণ কৰিছে। পৌৰাণিক আখ্যানৰ লগত সংপৃক্ত কৰি, চিত্ৰবৈভৱৰ সমাবেশ কৰি আৰু ভাৱোপযোগী শব্দাৱলীৰ ব্যঞ্জনাপূৰ্ণ প্ৰয়োগৰ দ্বাৰা তেওঁ বৰ্ণনাসমূহক উজ্জ্বল, ইন্দ্ৰিয়গ্ৰাহ্য আৰু বৰ্ণাঢ্য কৰি তুলিবলৈ সক্ষম হৈছে।

**অন্তিম জ্যোতি কবিতাৰ মূলভাৱ ঃ**

ৰোমাণ্টিক যুগৰ অন্যতম কবি ৰঘুনাথ চৌধাৰী দেৱৰ ব্যক্তিগত জীৱন দুখেৰে পৰিপূৰ্ণ আছিল। মানুহৰ নিষ্ঠুৰতা, শাৰীৰিক অক্ষমতা, ব্যৰ্থ প্ৰেম, নিয়তিৰ পৰিহাস ইত্যাদি সমস্যাসমূহ তেখেতৰ জীৱন বিষাদেৰে ভৰি তুলিছিল। দুৰ্ঘটনাত চিৰদিনৰ বাবে ঘূণীয়া হোৱা বাবে চৌধাৰীদেৱে চিৰজীৱন কৌমাৰ্যব্ৰত গ্ৰহণ কৰিবলগীয়া হৈছিল। ফলত কবিৰ মন গহনত সুপ্ত হৈ থকা অতৃপ্ত বাসনা ইত্যাদিৰ প্ৰকাশ তেওঁৰ কবিতাৰ মাজেৰে বোৱাই নিয়া দেখা যায়। পাৰ্থিৱ জীৱনৰ ক্ষণভংগুৰতা, ব্যৰ্থ প্ৰেমৰ হুমুনিয়াহ অনাদৰ, অৱহেলা আদিৰেই মুক্ত প্ৰকাশ ঘটিছে 'অন্তিম জ্যোতি' কবিতাটোত।

বাল্য কালতেই কবি চৌধাৰীদেৱে পিতৃ-মাতৃ, ককায়েক-বায়েকৰ মৰমৰ পৰা বঞ্চিত হৈছিল। পৰিয়ালৰ আন সদস্যৰ পৰাও কেৱল অনাদৰ আৰু অৱহেলাহে পাইছিল। তেওঁ সকলোৰে ওচৰত মৰম আশা কৰিছিল যদিও তেওঁ ফলপ্ৰসূ হোৱা নাছিল। তাৰোপৰি শাৰীৰিক অক্ষমতাৰ বাবে কৌমাৰ্যব্ৰত গ্ৰহণ কৰিলেও তেওঁৰ অন্তৰতো আছিল কামনাৰ জুই। চিৰকৌমাৰ্য পালন কৰিলেও প্ৰেয়সীৰ সৈতে মিলনৰ আকাংশা বা দাম্পত্য প্ৰেমৰ কামনা-বাসনা তেওঁৰ হৃদয় তলিৰ মাজত অতি সংগোপনে অনুৰণিত হৈ আছিল। সেয়ে তেওঁৰ কবিতাৰ মাজত ইন্দ্ৰিয়জ এই কামনা-বাসনা, অতৃপ্ত আশা-আকাংশা অনুভূত হোৱা দেখা যায় কাৰণ ইয়াৰ মূলতে হৈছে কবিৰ জীৱনলৈ সংগোপন বাসনাৰ প্ৰকাশ ঘটিছে।

কবিৰ হৃদয় যেন দুখত মৰ্মাহত হৈ পৰিছে। কাৰুণ্যৰে ভৰি পৰিছে তেওঁৰ সমগ্ৰ শৰীৰ, মন আৰু জড়তাই আগুৰি ধৰিছে। সেয়েহে মাজে মাজে কবিয়ে চিঞৰি উঠিছে যে তেওঁৰ এই দুখ যন্ত্ৰণাবিলাক এতিয়া কোনে শুনিব বা কোনে গুচাই দিব পাৰিব। এই বৰ্ণনাৰ দ্বাৰা অনুভৱ হয় যে কবিয়ে কেতিয়াবা কেতিয়াবা তেওঁৰ ব্যক্তিগত জীৱনত ভাগৰি পৰিছে।

কিন্তু শেষত কবিয়ে নিজকে নিজে অনুসন্ধিৎসু কৰি তুলি ভাবিছে যে এই পৃথিৱীত নোপোৱা সুখ-আনন্দৰে ভৰা জীৱন আৰু সিপুৰীতো নাপাব নেকি? এই সংসাৰত পোৱা বিষাদ, নৈৰাশ্যতা, অৱসাদ, অৱহেলা অনাদৰ, ব্যাথাৰ জ্বালা, ব্যৰ্থতাৰ গ্লানি আদি জীৱনৰ সমস্ত দুখ আৰু সি লোকতো পাব নেকি বুলি ভয় খাই সেয়ে কবিয়ে কৈছে -

“জীৱনৰ ধ্ৰুৱতৰা মাৰ যাঁও যাঁও
অনন্তৰ অন্তিম বুকুত
পৰম আনন্দ ৰূপ ধ্ৰুৱ জ্যোতিকণা
নাপাম নে আৰু সি লোকত?”

**অন্তিম জ্যোতি কবিতাত ৰোমাণ্টিকতাৰ প্ৰভাৱ ঃ**

অসমীয়া ৰমন্যাসিক যুগৰ এজন আগশাৰীৰ কবি হ'ল ৰঘুনাথ চৌধাৰী। ৰমন্যাসিক কবিসকলৰ প্ৰধান বৈশিষ্ট্য হ'ল - তেওঁলোক কল্পনাপ্ৰিয় আৰু কল্পনাতে উটি-ভাঁহি ফুৰে। সদায়ে দেখি থকা প্ৰকৃতি জগতখনৰ মাত-কথাবোৰত ৰোমাণ্টিক কবিসকলে কিবা এটা নতুনত্ব দেখা পায় আৰু এক তীব্ৰ অনুভুতিত অভিভূত হৈ

পৰে আৰু এই অনুভূতিবোৰ যেতিয়াই তীব্ৰতৰ হৈ উঠে তেতিয়াই এই অনুভূতি প্ৰতিফলিত হয় কবিতাত। কল্পনাত অসংযতভাৱে উঠা ভাৱ তৰংগৰ কৰুণ উচ্ছাসেই হ'ল ৰোমাণ্টিক কবিতা। ৰোমাণ্টিক কবিসকলৰ সৃষ্টিৰ উৎস হ'ল - প্ৰকৃতিৰ লীলা, মাধুৰ্য আৰু সৌন্দৰ্য।

ৰঘুনাথ চৌধাৰী আছিল প্ৰকৃতিৰৰ সৌন্দৰ্য পিপাসু। প্ৰকৃতিৰ অপৰূপ সৌন্দয্যত কল্পনাবিভোৰ হৈ কল্পনাৰ ডেউকাৰে উৰি গৈছিল দূৰ অতীতলৈকে। কল্পনাৰ চকুৰে যি দেখিছিল তাকেই প্ৰতিফলিত হৈছিল তেওঁৰ কবিতাত। যাৰ ফলত তেওঁৰ কবিতাবোৰ হৈ পৰিছিল প্ৰতীকধৰ্মী। ৰোমাণ্টিক কবিতাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে - ৰহস্যময়তা। ৰহস্য বুলি ক'লে সাধাৰণতে গোপনীয় অৰ্থাৎ যিটো তত্ব বুজা নাযায় তাকে বুজায়। ৰঘুনাথ চৌধাৰীৰ 'অন্তিম জ্যোতি' কবিতাটোতো এনে ৰহস্যময়তাৰ এটা আভাস পোৱা যায়।

ৰোমাণ্টিক কবিতাৰ আন এটা বৈশিষ্ট্য হ'ল - বিষাদৰ সুৰ। 'অন্তিম জ্যোতি' কবিতাটোতো বিষাদৰ সুৰ ধ্বনিত হোৱা দেখা যায়। 'অন্তিম জ্যোতি' কবিতাটোত কবি ৰঘুনাথ চৌধাৰীদেৱৰ মানসিক অৱষাদৰ লগতে বাহ্যিক অৱষাদৰ সুৰো প্ৰৱাহিত হোৱা দেখা যায়। কবিৰ ব্যক্তিগত জীৱনৰ দুখ-শোক জ্বালা-যন্ত্ৰণাৰ চিত্ৰ কবিতাটোত পোৱা যায়। পাৰ্থিৱ জীৱনত তেওঁ কেৱল দুখহে পাইছে, সেয়ে তেওঁৰ অৰ্ন্তজগত বিৰহৰে পৰিপূৰ্ণ। জীৱনত সকলোৰে পৰা কেৱল দুখকে পাইছিল। আত্মীয়-স্বজনৰ পৰা তেওঁ বিচাৰিছিল অলপ মৰম, কিন্তু মৰমৰ পৰিৱৰ্তে পাইছিল অনাদৰ, অৱহেলা। সেয়ে তেওঁ কৈছে -

"মৰম ভিখাৰী
মই বিশ্ব ভাণ্ডাৰত
খুজিছিলো অন্তৰৰ দান,
গৰল উদ্ধৰ হ'ল
সিন্ধু মন্থনত
অমৃতৰ নাপালো সন্ধান।"

দাৱাগ্নিৰ দহনত দেৱদাৰু তৰু পুৰি দেই ছাৰখাৰ হোৱাৰ দৰে কবিৰ জীৱনো ছাৰখাৰ হৈ পৰিছিল। ব্যাথাৰে ভৰি পৰিছিল তেওঁৰ সমস্ত জীৱন। সেয়েহে মানৱ সমাজৰ পাপ প্ৰলোভনৰ পৰা মুক্তি বিচাৰি তেওঁ প্ৰকৃতিৰ ৰাজ্যত আশ্ৰয় লৈছিল। নিয়তিৰ কুটিল গ্ৰাহত পৰি চিৰদিনৰ বাবে কবিয়ে পঙ্গুত্বক আকোৱালি ল'বলগীয়া হৈছিল। পিতৃ-মাতৃ তথা পৰিয়ালক হেৰুৱাই ঘাট মাউৱা হৈ পৰা কবিৰ স্থাৱৰ-অস্থাৱৰ সকলো সম্পত্তি হেৰুৱাব লগাত কবিয়ে মৰ্মাহত হৈ পৰিছিল। বিশেষকৈ

তেওঁ আত্মীয়সকলৰ দুৰভিসন্ধিত বেছিকৈ মৰ্মাহিত হৈ পৰিছিল। সেয়ে তেওঁ কৈছে -

"মৰ্মাহত ব্যাথাহত দুৰ্বহ জীৱন
আছে মোৰ আৱৰ্তত ঘূৰি,
স্পন্দনত তন্দ্ৰাতুৰ দুৰ্বল চিত্তৰ
জড়তাই নিছে সংজ্ঞা হৰি।"

'অন্তিম জ্যোতি' কবিতাত ৰোমাণ্টিক কবিতাৰ আন এটি প্ৰধান লক্ষণ প্ৰকাশ পাইছে সেইটো হৈছে ইন্দ্ৰিয় চেতনা। প্ৰেমৰ পৰা বিচ্ছেদৰ ছবি ইয়াত (কবিতাটোত) স্পষ্টভাৱে প্ৰকাশ পাইছে। চিৰকুমাৰ হ'লে কবিৰ দাম্পত্য জীৱনৰ অংকুৰ মেলিছিল সংগোপনে। কিন্তু বাস্তৱ জীৱনত প্ৰেম যুগমীয়া নহ'লেও তেওঁৰ মনতো আছিল কামনা-বাসনাৰ সুপ্ত ইচ্ছা। সেয়ে তেওঁ কবিতাটোত কৈছে -

"উদ্দাম বাসনা লই স্বৰ্ণমৃগ খেদি
সংসাৰত ভ্ৰমিলো কিমান,
দুৰ্জয় লালসা তেওঁ নুগুচিল মোৰ
ব্যৰ্থ হ'ল লক্ষ্যভেদী বাণ।"

ৰোমাণ্টিক কবিতাৰ আন এটা লক্ষণ হ'ল ব্যক্তিনিষ্ঠতা। এই কবিতাটোতো ৰঘুনাথ চৌধাৰীৰ ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰ প্ৰতিফলন ঘটিছে। জন্মৰ ন মাহৰ পৰা মৃত্যুলৈকে তেওঁ পাইছে অশেষ যাতনা। ভোলাৰাম চৌধাৰী আৰু দয়লতা চৌধাৰীৰ শেষ সন্তান ৰঘুনাথ চৌধাৰীৰ ন মাহ বয়সতে পিৰালিৰ পৰা বাগৰি ভৰি দুখন ভাঙি যায়, সোঁভৰিখন একেবাৰেই অকামিলা হৈ যায়। চাৰি বছৰ বয়সত অগা-পিছাকৈ জহনী ৰোগত ককায়েক, বায়েক আৰু মাকৰ মৃত্যু হয়। পৰিয়ালৰ এই বিপৰ্যয়ত দেউতাকো মানসিক বিকাৰগ্ৰস্ত হৈ পৰে। এই সুযোগতে আত্মীয়সকলে তেওঁলোকৰ সকলো সম্পত্তি আত্মসাৎ কৰে। এই দুৰ্যোগৰ সময়ত ৰঘুনাথ চৌধাৰী আনৰ আশ্ৰয়ত থাকিব লগা হয়। পিছত গৰ্গৰাম চৌধাৰীয়ে তেওঁক গুৱাহাটীলৈ লৈ যায় আৰু নিজ পুত্ৰৰ দৰে লালন-পালন কৰে। কিন্তু কেইদিনমান পিছত এই মানুহজনৰো জহনী ৰোগত মৃত্যু হৈছিল। এজন এজনকৈ সকলো আত্মীয়কে হেৰুৱাই কবিয়ে ভাগি পৰিছিল। আনকি প্ৰেমৰ ক্ষেত্ৰটো তেওঁ ব্যৰ্থ হৈছিল আৰু ইয়াৰ প্ৰতিফলন ঘটিছে "অন্তিম জ্যোতি" কবিতাটোত -

"ব্যাথাৰ সহস্ৰ জ্বালা ব্যৰ্থতাৰ গ্লানি
বুকু পোৰা তপত উচ্ছাস,
কোনেবা গুচাব মোৰ কোনেবা শুনিব
আৰব্যৰ স্বপ্ন উপন্যাস।"

'ছন্দ প্ৰয়োগ' - ৰোমাণ্টিক কবিতাৰ আন এটি বৈশিষ্ট্য। ছন্দই কবিতাক অধিক সৌন্দৰ্যময় কৰি তোলে। চৌধাৰীৰ কবিতাৰ ছন্দসজ্জা প্ৰাচীন অসমীয়া কবিসকলৰ ছন্দ সজ্জাৰ দ্বাৰা প্ৰভাৱান্বিত। তেওঁৰ এই অন্তিম জ্যোতি কবিতাটোত আমি ছবি ছন্দৰ সুন্দৰ প্ৰয়োগ দেখিবলৈ পাওঁ। "ছবি ছন্দত" সাধাৰণতে তিনিটা চৰণ থাকে। চৰণৰ আখৰৰ সংখ্যা আঠ, আঠ আৰু দহ। ছয় চৰণত এই ছন্দ সম্পূৰ্ণ হয়। উদাহৰণ স্বৰূপে 'অন্তিম জ্যোতি' কবিতাত -

"জীৱনৰ ধ্ৰুৱতৰা - ৮ মাৰ যাওঁ যাওঁ - ৮
অনন্তৰ অন্তিম বুকুত - ১০
পৰম আনন্দ ৰূপ - ৮ ধ্ৰুৱ জ্যোতিকনা - ৮
নাপামনে আৰু সি লোকত? ১০

এইদৰে ওপৰত আলোচনা কৰাৰ দৰে আমি ৰঘুনাথ চৌধাৰীৰ 'অন্তিম জ্যোতি' কবিতাটোত ৰোমাণ্টিক কবিতাৰ লক্ষণ সুন্দৰভাৱে প্ৰতিফলিত হোৱা দেখা পাওঁ।

**"অন্তিম জ্যোতি" কবিতাটিৰ অন্তৰ্নিহিত কবিৰ মনোভাৱ ঃ**

ৰঘুনাথ চৌধাৰীৰ 'অন্তিম জ্যোতি' এটি উৎকৃষ্ট সাৰ্থক কবিতাৰ নিদৰ্শন। গোটেই কবিতাটোৰ মাজেৰে কবিয়ে মনৰ বিভিন্ন অৱস্থাক অতি সুন্দৰ ৰূপত উপস্থাপন কৰিছে।

কবি ৰঘুনাথ চৌধাৰীৰ কবিতা ব্যক্তিগত অভিজ্ঞতাৰ সমষ্টি। তেওঁৰ কবিতাত তেওঁৰ ব্যক্তিগত জীৱন স্পষ্টভাৱে প্ৰতিফলিত হোৱা দেখা যায়। তেওঁৰ ব্যক্তিগত জীৱনৰ কাহিনী অধ্যয়ন নকৰাকৈ তেওঁৰ কবিতাবোৰৰ মৰ্ম বুজাটো কঠিন হৈ পৰিব। শৈশৱৰে পৰা বৃদ্ধ বয়সলৈ কবিয়ে কেৱল দুখকে পাইছে। দৰাচলতে তেওঁৰ ব্যক্তিগত জীৱন নোপোৱাৰ বেদনা আৰু পাই হেৰুওৱা বেদনাৰে ভৰপুৰ। তেওঁৰ ব্যক্তিগত জীৱনচ প্ৰতিফলিত হোৱা প্ৰায়বোৰ কবিতাৰ সুৰসমূহ বিৰহ। প্ৰকৃতি জগতৰ চৰাই, তৰা ইত্যাদি মানৱীয় ৰূপত অংকন কৰি তেওঁ নিজৰ জীৱনৰ অভিজ্ঞতা বৰ্ণনা

কৰিছে। 'অন্তিম জ্যোতি' কবিতাটিও তেওঁৰ ব্যক্তিগত অভিজ্ঞতাৰেই প্ৰতিফলন। ব্যক্তিগত জীৱনৰ বিৰহ-বেদনাবোৰ কবিতাটোৰ মাজেৰে সুন্দৰভাৱে প্ৰকাশ কৰিছে। কবিতাটোৰ আৰম্ভণিতেই কবিয়ে উল্লেখ কৰিছে -

"মৰম ভিখাৰী মই বিশ্ব ভাণ্ডাৰত
খুজিছিলো অন্তৰৰ দান,
গৰল উত্তৰ হ'ল সিন্ধু মন্থনত
অমৃতৰ নাপালো সন্ধান।"

এই সংসাৰত বহু উদ্যমেৰে স্বৰ্ণ মৃগৰ পিছে পিছে সুখ বিচাৰি অনেক যাত্ৰা কৰিছিল। অৰ্থাৎ স্বৰ্ণমৃগ খেদি খেদি কিমান যে ঠাই ঘূৰিলে, কিন্তু সেই স্বৰ্ণ মৃগ লাভ কৰাৰ যি বাণ কবিয়ে নিক্ষেপ কৰিছিল সেয়া যেন ব্যৰ্থ হৈ পৰিল। অৰ্থাৎ এই সংসাৰ যাত্ৰাত কবিয়ে সুখ পোৱাৰ আশাত যি লক্ষ্য স্থিৰ কৰিছিল সেই লক্ষ্যৰ পৰা কবি বঞ্চিত হৈছিল। কবিৰ ভাষাত -

"উদ্দাম বাসনা ল'ই স্বৰ্ণমৃগ খেদি
সংসাৰত ভ্ৰমিলো কিমান,
দুৰ্জয় লালসা নুগুছিল মোৰ
ব্যৰ্থ হ'ল লক্ষ্যবেদী বাণ।"

কবিয়ে কৈছে যে এই বিশ্ব ব্ৰহ্মাণ্ডত তেওঁৰ জীৱনটো পংগুত্বৰ কাৰণে দুৰ্বিবহ হৈ পৰিছে। ব্যৰ্থতাৰ গ্লানিয়ে যেন চাৰিওফালে আগুৰি ধৰিছে। তেওঁৰ সমস্ত জীৱন যেন এখন উপন্যাসৰ দৰে হৈ পৰিছে। তেওঁ নিজেই নিজকে প্ৰশ্ন কৰিছে যে তেওঁৰ সেই উপন্যাস কোনে শুনিব, কোনে গুচাব তেওঁৰ বুকু পোৱা তাপ উচ্ছ্বাস। কবিৰ ভাষাত -

"ব্যথাৰ সহস্ৰ জ্বালা ব্যৰ্থতাৰ গ্লানি
বুকু পোৱা তপত উচ্ছ্বাস,
কোনোবা গুচাব মোৰ কোনেবা শুনিব
আৰব্যৰ স্বপ্ন উপন্যাস?"

শৈশৱৰ পৰা বৃদ্ধাৱস্থালৈ আমাৰ কবিয়ে কেৱল দুখেই পাইছে। সেয়ে তেওঁ কৈছে জীৱন শেষ হওঁ হওঁ অৱস্থা, অনন্তৰ অন্তিম বুকুত এদিন সকলো মাৰ যাব লাগিব, কিন্তু এই লোকত নোপোৱা সুখবোৰ বাৰু সি লোকতো নাপাব নেকি? মানুহ

মৰিলে পুনঃ জন্ম হয় বুলি কিছুমান ধৰ্মত বিশ্বাস কৰি অহা হৈছে। আমাৰ কবিও পুনঃ জন্মত বিশ্বাসী হোৱা দেখা যায় আৰু ইয়াৰ প্ৰতিফলন কবিতাটোত স্পষ্টৰূপত প্ৰকাশ পোৱা দেখা যায়। কবিৰ ভাষাত -

"জীৱনৰ ধ্ৰুৱতৰা মাৰ যাওঁ যাওঁ
অনন্তৰ অন্তিম বুকুত,
পৰম আনন্দ ৰূপ ধ্ৰুৱ জ্যোতিকণা
নাপাম নে আৰু সি লোকত?"

এনেদৰে আলোচনা কৰিলে দেখা যায় যে ৰঘুনাথ চৌধাৰীৰ 'অন্তিম জ্যোতি' কবিতাটিৰ মাজেৰে কবিৰ মনোভাৱ বিভিন্ন দিশলৈ গতি কৰিছে। সেই কথা কবিতাটিৰ কথাবস্তুৰ মাজেৰে দৃষ্টিগোচৰ কৰিব পাৰি।

**ৰঘুনাথ চৌধাৰীৰ 'অন্তিম জ্যোতি' কবিতাত আশাবাদৰ চিত্ৰ ঃ**

অসমীয়া জাতীয় জীৱনৰ এজন স্বনামধন্য কবি হ'ল ৰঘুনাথ চৌধাৰী। এইগৰাকী কবিক সাহিত্য জগতত 'বিহগী কবি' আখ্যা দিয়া হৈছে। আমাৰ পাঠ্য 'অন্তিম জ্যোতি' কবিতাটো তেখেতৰ এটা উৎকৃষ্ট সাৰ্থক কবিতা। এই কবিতাটোৰ মাজেৰে কবিৰ এটা আশাবাদৰ চিত্ৰ স্পষ্ট ৰূপত ফুটি উঠা দেখা যায়।

বিহগী কবি ৰঘুনাথ চৌধাৰী আছিল এজন মৰম আকলুৱা। তেওঁ আছিল এজন মৰমৰ ভিক্ষাৰী। সেই মৰম ভিক্ষাৰী কবি বিশ্ব ব্ৰহ্মাণ্ডত মৰম পাবলৈ চেষ্টা কৰিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ তেওঁ এই পাবলগীয়া মৰমখিনি তেওঁৰ ভাগ্যত লিখা নাছিল। কবিৰ মতে তেওঁ সিন্ধু মন্থনত অমৃতৰ সলনি বিষহে লাভ কৰিবলৈ সক্ষম হৈছিল। মৰম আকলুৱা কবিয়ে বিচৰা ধৰণে যেন অমৃতৰ সন্ধান নাপালে। বহুত চেষ্টা কৰিও যেন কবিয়ে বিফল হৈ পৰিছে। কবিমনৰ এক বিফল মনোভাৱ কবিতাটোৰ মাজেৰে ব্যক্ত কৰিছে। এই কথাৰ মাজত মৰম আকলুৱা কবিৰ মৰম পোৱাৰ আশাবাদৰ চিত্ৰত প্ৰকাশি উঠিছে। কবিৰ ভাষাত -

"মৰম ভিখাৰী মই বিশ্ব ভাণ্ডাৰত
খুজিছিলো অন্তৰৰ দান,
গৰল উদ্ভৱ হ'ল সিন্ধু মন্থনত
অমৃতৰ নাপালো সন্ধান।"

কবিয়ে সংসাৰৰ স্বৰ্ণ মৃগৰ পিছে পিছে সুখ বিচাৰি অনেক যাত্ৰা কৰিছিল। অৰ্থাৎ কবি চিৰকুমাৰ হ'লেও দাম্পত্য জীৱনৰ প্ৰতি কবি বিমুখ নাছিল আৰু তেওঁৰ জীৱনলৈ যে প্ৰেম অহা নাছিল তেনে নহয়, কবি চৌধাৰীৰ মনতো প্ৰেমৰ অংকুৰ মেলিছিল সংগোপনে। কিন্তু তেওঁৰ জীৱনত প্ৰেমে যুগমীয়া ৰূপ ল'ব নোৱাৰিলে। প্ৰেম যুগমীয়া নহ'লেও তেওঁৰ মনতো আছিল কামনা-বাসনাৰ সুপ্ত ইচ্ছা। সেয়ে তেওঁ কবিতাটোত কৈছে -

"উদ্দাম বাসনা ল'ই স্বৰ্ণমৃগ খেদি
সংসাৰত ভ্ৰমিলো কিমান,
দুৰ্জয় লালসা নুগুছিল মোৰ
ব্যৰ্থ হ'ল লক্ষ্যবেদী বাণ।"

কবিয়ে কৈছে যে এই বিশ্ব ব্ৰহ্মাণ্ডত তেওঁৰ জীৱনটো পংগুত্বৰ কাৰণে দুৰ্বিবস হৈ পৰিছিল। কাৰণ ন মাহ বয়সতে পিৰালিৰ পৰা বাগৰি ভৰি দুখন ভাঙি যায় আৰু সোঁ ভৰিখন একেবাৰেই অকামিলা হৈ যায়। স্পন্দনত যেন কবিৰ টোপনিৰ ভাব জাগি উঠিছিল। কবিৰ ভাষাত -

"মৰ্মাহত ব্যাথাহত দুৰ্বহ জীৱন
আছে মোৰ আৱৰ্তত ঘূৰি,
স্পন্দনত তন্দ্ৰাতুৰ দুৰ্বল চিত্তৰ
জড়তাই নিছে সংজ্ঞা হৰি।"

কবি চৌধাৰীদেৱৰ জীৱন দুখৰ বন্যাৰে উপচা। জন্মৰ ন মাহৰ পৰা মৃত্যুলৈকে তেওঁ পাইছে অশেষ যাতনা। দুখ-যন্ত্ৰণা আৰু অন্তৰৰ গ্লানি বুকুত অনুভূত হোৱা যিবোৰ দুখৰ হুমুনিয়াহ সেয়া আৰবৰ স্বপ্ন উপন্যাসৰ নিচিনা। সেয়ে কবিয়ে কৈছে যে তেওঁৰ জীৱনৰ দুখবোৰ কোনে শুনিব, কোনেনো গুচাব। ইয়াত কবি মনৰ কিছুমান দুখৰ চিত্ৰ ব্যক্ত কৰিছে আৰু সেই কথাই অন্য দিশলৈ গতি কৰিছে। কবিৰ ভাষাত -

"জীৱনৰ ধ্ৰুবতৰা মাৰ যাওঁ যাওঁ
অনন্তৰ অন্তিম বুকুত,
পৰম আনন্দ ৰূপ ধ্ৰুব জ্যোতিকণা
নাপাম নে আৰু সি লোকত?"

কবিয়ে নিজৰ জীৱনৰ দুখ-যন্ত্ৰণাৰ অন্তৰালত এক আশাবাদৰ চিন্তাত মগ্ন হৈ পৰিছে। কবিৰ এই আশা যেন দুখৰ মাজতো যেন অকণমান সুখ পায়। কবিয়ে কৈছে যে তেওঁৰ এই জীৱন শেষ হওঁ হওঁ আৰু অসমীত মিলি যোৱা। এই যি জীৱন - এই জীৱনে বিচৰা যি পৰম আনন্দ ৰূপ পোহৰ বিচাৰে সেই পোহৰ পৰলোকত বিচাৰি পাবনে সেই সম্পৰ্কে চিন্তা কৰিছে। সেই সুখৰ সমভাগী কবি হ'ব পাৰিবনে তাক লৈয়ো কবিয়ে অনুসন্ধিৎসু হৈ পৰিছে।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে ৰঘুনাথ চৌধাৰীৰ 'অন্তিম জ্যোতি' কবিতাটোৰ মাজেৰে কবিৰ গভীৰ আশাবাদৰ চিত্ৰ এটা সুন্দৰ ৰূপত প্ৰকাশি উঠিছে। কবিতাটোৰ শেষৰ স্তৱকত ইয়াৰ এটা পূৰ্ণ প্ৰতিফলন আমি দেখিবলৈ পাওঁ। যাৰ ফলত অসমীয়া সাহিত্য জগতত এই কবিতাটিয়ে এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে বুলি ক'ব পৰা যায়।

**'অন্তিম জ্যোতি' কবিতাৰ কাব্যচেতনা আৰু ভাষাশৈলী ঃ**

ৰোমাণ্টিক যুগৰ এজন অন্যতম কবি হ'ল ৰঘুনাথ চৌধাৰী। তেখেতৰ এটা উল্লেখযোগ্য কবিতা হ'ল - 'অন্তিম জ্যোতি'। কবিতাটোত কবিৰ ব্যক্তিগত প্ৰেমে অৱশেষত পৰম আনন্দময় অনন্তৰ সমীপলৈ গতি কৰিছে। বিৰহী প্ৰেমৰ বেদনামধুৰ অনুভূতিৰে কবিতাটোৰ প্ৰতিটো স্তৱক ভৰি আছে। মানৱীয় প্ৰেমৰ কাৰুণ্যভৰা ৰূপ কবিতাটোৰ ৰন্ধ্ৰে ৰন্ধ্ৰে বিৰাজমান। কবিতাটোৰ প্ৰথম স্তৱত কবিয়ে নিজকে মৰমৰ ভিখাৰী বুলি কৈছে যি হৃদয়ৰ সঁচা প্ৰতিদান আশা কৰিছিল। কিন্তু কবিৰ এই আশা পূৰ্ণ হোৱা নাছিল।

কবিতাটোৰ প্ৰথম স্তৱকত কবিয়ে নিজকে মৰম ভিখাৰী বুলি কৈছে যি তেওঁ হৃদয়ৰ সঁচা প্ৰতিদান আশা কৰিছিল। কিন্তু কবিৰ এই আশা অপূৰ্ণ হৈ ৰ'ল। সিন্ধু মন্থনত তেওঁ আশা কৰা ধৰণে অমৃতৰ সন্ধান নাপালে। তাৰ বিপৰীতে তেওঁ পালে গৰল নামৰ প্ৰণঘাতী বিষ। এই স্তৱকটোত কবিয়ে প্ৰথমে আশাৰ কথা প্ৰকাশ কৰিছে আৰু পিছত আশা ভংগৰ কথা উল্লেখ কৰিছে। কবিৰ অন্তৰত থুপ খাই থকা অভিমান আৰু বিষাদ বৰ অন্তৰস্পৰ্শী ৰূপত প্ৰকাশ পাইছে।

কবিতাটোৰ দ্বিতীয় স্তৱকত কবিয়ে নিজৰ অনুভৱ আকৌ মৰ্মস্পৰ্শী ৰূপত ফুটাই তুলিছে। কবিয়ে উল্লেখ কৰিছে যে উদ্দাম বাসনা হৃদয়ত লৈ তেওঁ মায়াময় স্বৰ্ণমৃগৰ পিছে পিছে গোটেই সংসাৰ পৰিভ্ৰমণ কৰিলে। কিন্তু তাৰ ফলাফলো প্ৰতিকূল নহ'ল। কবিয়ে লক্ষ্যত উপনীত হোৱাত বিফল হৈছিল। কিন্তু তাৰ পিছতো কবিৰ

দুৰ্জয় লালসাৰ অন্ত পৰা নাছিল। তেওঁ আকাংক্ষিত স্বপ্নৰ অনুসৰণ কৰি আগুৱাই গৈ থাকিল। কিন্তু এইবাৰো তেওঁৰ লক্ষ্যভেদী বাণ পথভ্ৰষ্ট হৈছিল। কবিৰ আশা ভাঙি চূৰমাৰ হৈ গৈছিল।

তৃতীয় স্তৱকটোত কবিয়ে জীৱনৰ ব্যথিত আৰু মৰ্মাহত অনুভূতি ফুটাই তুলিছে। কবিৰ দুৰ্বল চিত্তক ক্ৰমশঃ জড়তাই গ্ৰাস কৰি আনিছে। তেওঁৰ স্পন্দন লাহে লাহে দুৰ্বল আৰু তন্দ্ৰাতুৰ হৈ পৰিছে। কবিৰ জীৱনে যেন গতি আৰু উত্তাপ হেৰুৱাই পেলাইছে। এই স্তৱকটোক কবিৰ অকৃত্ৰিম প্ৰেমৰ কৰুণ পৰিণাম অত্যন্ত মৰ্মস্পৰ্শী হৈ উঠিছে।

চতুৰ্থ স্তৱকত কবিৰ কৰুণ উচ্ছ্বাস উদ্‌গীৰিত হৈ উঠিছে। তেওঁৰ সমস্ত জীৱন ব্যথাৰে ভৰি পৰিছে, তেওঁৰ মন জড়তাৰে ভৰি পৰিছে। ব্যৰ্থতাৰ গ্লানিয়ে যেন চাৰিওফালে আগুৰি ধৰিছে। তেওঁৰ সমস্ত জীৱন এখন উপন্যাসৰ দৰে হৈ পৰিছে। তেওঁৰ এই আৰবীয় উপন্যাসসম প্ৰেমৰ কাহিনী কোনে বুজিব আৰু শুনিব? সেয়ে কবিয়ে প্ৰশ্ন কৰিছে -

"কোনেবা গুচাব মোৰ কোনেবা শুনিব
আৰব্যৰ স্বপ্ন উপন্যাস?

আৰবীয় স্বপ্নময় উপন্যাসৰ দৰে কবিৰ মৌমিঠা প্ৰেমৰ সুগন্ধি কোনে অনুভৱ কৰিব? কবিৰ সংবেদনশীল মনে এই প্ৰশ্নৰ উত্তৰ বিচাৰি হাহাকাৰ কৰি উঠিছে।

'অন্তিম জ্যোতি' কবিতাটোৰ পঞ্চম তথা শেষ স্তৱকটোত পৰলৌকিক মহামিলনৰ ইংগিত স্পষ্ট হৈ পৰিছে। প্ৰেমত ব্যৰ্থ কবি পৃথিৱীৰ পৰা মুক্তি লাভ কৰি অসীম অনন্তৰ বুকুত বিলীন হৈ যোৱাৰ কথা উল্লেখ কৰিছে। এই স্তৱকটোত আত্মা আৰু পৰমাত্মাৰ মহামিলনৰ সংকেত দিয়া হৈছে। এই দৃষ্টিৰে আমি কবিতাটোত ৰহস্যবাদৰ এটা উষ্ম আভাস পাওঁ। কবিতাটোৰ শেষৰ এই স্তৱকটো কবিয়ে নিজৰ ব্যৰ্থ জীৱনৰ কৰুণ ৰাগ অসীম অনন্তৰ বিশাল বক্ষত ঝংকাৰিত কৰি তোলাৰ সপোন দেখিছে। কবিৰ ভাষাত -

"জীৱনৰ ধ্ৰুৱতৰা মাৰ যাওঁ যাওঁ
অনন্তৰ অন্তিম বুকুত,
পৰম আনন্দ ৰূপ ধ্ৰুৱ জ্যোতিকণা
নাপাম নে আৰু সি লোকত?"

ভাষাশৈলীৰ দৃষ্টিৰেও 'অন্তিম জ্যোতি' এটি উল্লেখযোগ্য কবিতা। এই কবিতাটোত তৎসম আৰু তদ্ভৱ দুয়োটা শব্দৰে প্ৰয়োগ আমি দেখিবলৈ পাওঁ। 'মৰম ভিখাৰী', 'উদ্দাম বাসনা', 'দুৰ্জয় লালসা', 'তন্দ্ৰাতুৰ দুৰ্বল চিত্ত', 'তপত উচ্চাস', 'জীৱনৰ ধ্ৰুৱতৰা', 'আৰব্য স্বপ্ন' - আদি শব্দবিলাকৰ মৌলিক প্ৰয়োগে কবিতাটোৰ প্ৰকাশভংগীক নতুন সমৃদ্ধি আৰু বৈচিত্ৰ প্ৰদান কৰিছে।

ছন্দৰ সুপ্ৰয়োগো 'অন্তিম জ্যোতি' কবিতাটোক আৰু সুন্দৰতৰ কৰি তুলিছে। প্ৰতিটো স্তৱকতেই ছন্দবদ্ধতাৰ সুস্পষ্টতা সহজেই দৃষ্টিগোচৰ হয়।

"জীৱনৰ ধ্ৰুৱতৰা - ৮ মাৰ যাওঁ যাওঁ - ৮
অনন্তৰ অন্তিম বুকুত - ১০
পৰম আনন্দ ৰূপ - ৮ ধ্ৰুৱ জ্যোতিকনা - ৮
নাপামনে আৰু সি লোকত? ১০

ইয়াত ছবি ছন্দৰ সুন্দৰ প্ৰয়োগ আমি দেখিবলৈ পাওঁ। অলংকাৰ প্ৰয়োগৰ দিশৰ পৰাও 'অন্তিম জ্যোতি' এটি উৎকৃষ্ট কবিতা। অনুপ্ৰাস আৰু ৰূপক অলংকাৰৰ সুন্দৰ প্ৰয়োগ আমি কবিতাটোত দেখা পাওঁ। অলংকাৰ প্ৰয়োগে কবিতাটোক আৰু সৌন্দৰ্যময় কৰি পেলাইছে।

চিত্ৰকল্পৰ প্ৰয়োগো আমি ৰঘুনাথ চৌধাৰী দেৱৰ এই 'অন্তিম জ্যোতি' কবিতাটোত আমি দেখা পাওঁ। কবিতাটো গভীৰভাৱে অধ্যয়ন কৰিলে আমি এই কথা আমাৰ মানসপটত ভাঁহি থকা আমি দেখিবলৈ পাঁও। 'সিন্ধু মন্থন', 'ধ্ৰুৱতৰা', 'স্বৰ্ণমৃগ' আদি চিত্ৰকল্পৰ মনোগ্ৰাহী প্ৰয়োগ হৈছে।

এইদৰে আলোচনা কৰিলে দেখ যায় যে বিষয়বস্তু আৰু ভাষাশৈলীৰ দৃষ্টিৰে 'অন্তিম জ্যোতি' এটা সাৰ্থক কবিতা। ব্যক্তিসত্তাৰ ঘনীভূত বেদনা শব্দৰ মাজেৰে ঘনীভূত হৈ এই 'অন্তিম জ্যোতি' কবিতাটো পাঠকৰ বাবে সুখপাঠ্য হৈ পৰিছে।

**ৰঘুনাথ চৌধাৰীৰ কবিতাৰ ধাৰা দুটা - ইন্দ্ৰিয়মুখী আৰু ইন্দ্ৰিয়বিমুখী ঃ**

ৰঘুনাথ চৌধাৰী প্ৰধানকৈ প্ৰকৃতি কবি (Natural Poet)। প্ৰাকৃতিক উপাদানসমূহৰ ভিতৰত বিশেষকৈ ফুল আৰু চৰাইক লৈ তেওঁ উৎকৃষ্ট কবিতা লিখিছে, সিবোৰত তেওঁৰ জীৱন-দৰ্শন সুন্দৰভাৱে প্ৰতিফলিত হৈছে। তেওঁৰ জীৱন-দৰ্শন দুটা সুকীয়া ধাৰাত বিভক্ত - এটা ইন্দ্ৰিয়মুখী আৰু আনটো ইন্দ্ৰিয়বিমুখী। এটিত ৰূপ-ৰস-গন্ধ-স্পৰ্শ আৰু শব্দস্বৰূপ তন্মাত্ৰলব্ধ জীৱনৰ স্বীকৃতিৰ প্ৰতি এটা

আকৰ্ষণ। আনটিত ভাৰতীয় চিত্তবৃত্তিৰ চিৰচিনাকি ভক্তি-জ্ঞান বৈৰাগ্যৰ উদ্দাম তৰং। দুয়োটি ধৰাই সাৰ্থক কবিতাৰ সৃষ্টি কৰিছে। দুয়োটি দেখাত পৰস্পৰ বিৰোধী হলেও দুইতৰ সমন্বয়ৰ ক্ষেত্ৰ আছে। কিন্তু সেই ক্ষেত্ৰ সংঘাতৰ বিষম ক্ষেত্ৰ। 'দাবাগ্নিৰ বুকুত দেবদাৰু তৰু পুৰি দেই ছাৰখাৰ' হোৱাৰ দৰে। সেই সংঘাতে কবিৰ জীৱনত অন্তৰ্দাহী বাৰণৰ চিতাজুই জ্বলাই তুলিছে। কবি জীৱনৰ প্ৰথম ধাৰাটিত অনুপম প্ৰকৃতি কবিতাবোৰৰ সৃষ্টি কৰিছে আৰু তাৰে শ্ৰেষ্ঠ অভিব্যক্তি হ'ল তেখেতৰ চৰাই আৰু ফুল বিষয়ৰ কবিতাখিনি। দ্বিতীয়টি প্ৰৱাহ সংসাৰক অস্বীকাৰ কৰা বৈৰাগী ভাৱৰ কবিতাৰ মূৰ্ত হৈছে। কিন্তু সেই প্ৰৱাহৰ তীব্ৰতা প্ৰকাশ হৈছে সংসাৰস্বৰূপ হলাহল গিলিবলৈ যত্ন কৰি নীলকণ্ঠ হ'ব নোৱাৰি কবি য'ত ভাগি পৰিছে, 'ফুলশৰ্য্যা' আদি তেনেবোৰ কবিতাত। কবিয়ে কেতিয়াবা অসমীয়া ঐতিহ্যৰ মনাই বৈৰাগী হৈ জীৱনৰ মূলকাঠি নগৰত কৰা নাও-বেহাৰ কথা কৈছে, কেতিয়াবা আৰু ওপৰ চাপি 'বাসনা কামনা-ৰোগৰ বিভীষিকা-চিত্ৰ' দাঙি ধৰিছে। ইয়াৰ মাজত চৌধাৰীৰ কবিতাই দুই বিন্দুত চৰম গৌৰৱৰ মাত্ৰা থিয় দিছেগৈ - এটি বিন্দু হ'ল যেতিয়া তেওঁ ৰূপ-ৰস-গন্ধ-পৰশ-প্ৰেমত বাউল, নাইবা যেতিয়া কেতেকীৰ দৰে প্ৰসিদ্ধ চৰাই অথবা দহিকতৰাৰ দৰে কাব্যৰ উপেক্ষিতা বিহগীৰ কণ্ঠত সাত সাগৰ পাৰ বাগৰি অহা অমিয়া সুখৰ উহ দেখি তেওঁ দুখে-ভৰা পৃথিৱীত ভৰি নিদিয়া হৈছে। আনটি বিন্দুত কবি নিজেই দাৰুণভাৱে আহত পখী-জীৱনৰ প্ৰতি আৰু জীৱনৰ নায়ক 'হৃদয়দেৱতা'ৰ প্ৰতি জীৱন-শোষণ ৰোষত মৰ্মাহত। কবিৰ জীৱন স্ৰোতৰ লগত নিবিড়ভাৱে কবিতাৰে ভৰা সুঁতিটিও বৈ আহিছে। সেয়েহে চৌধাৰীদেৱৰ কবিতাত অনুভূতি আৰু প্ৰকাশৰ এটি ক্ৰমবিকাশ লক্ষ্য কৰিব পৰা যায়।

'সাদৰী'ৰ অন্তৰ্গত পূৰঠ ভাৱ-ভাষাৰ 'গোলাপ', বণিজৰ কথা' আদি পিছৰ জীৱনত ৰচিত কবিতা বাদ দি বিচাৰ কৰিলে এই পুথিৰ কবিতাবোৰতে চৌধাৰীৰ কবিতাৰ আশাময় শৈশৱৰ বিকাশ ঘটিছে। এই পুথিখনৰ ফুল আৰু চৰাই কবিতাকেইটি আৰু পিছত 'কেতেকী' আৰু 'দহিকতৰা'ৰ কেনেকৈ একেবোৰ ভাৱ কণিকা পল্লৱিত হৈ উঠিছে, ড° বাণীকান্ত কাকতিদেৱে 'দহিকতৰা'ৰ পাতনিত তাৰ সুন্দৰ আলোচনা দাঙি ধৰিছে। বন-বিহগৰ অমিয়া জীৱনৰ প্ৰতি তেওঁ প্ৰথমৰ পৰাই আকৃষ্ট। 'কেতেকী'ত চৰাই জীৱনৰ আনন্দময় ৰূপে একপ্ৰকাৰ সৰ্বেশ্বৰবাদৰ ৰূপ পৰিগ্ৰহ কৰিছে। অতীত আৰু বৰ্তমানৰ সকলো কাব্যময় সৌন্দৰ্য কেতেকী চৰাইজনীৰ এটি মাত্ৰ সুস্বৰিত অভিব্যঞ্জিত হৈ উঠিছে। 'দহিকতৰা'ত কবি বিশ্বপ্ৰকৃতিৰ চিত্ৰশালাৰ ছবিবোৰৰ সৌন্দৰ্যত অভিভূত হৈছে আৰু কবিয়ে শব্দৰ বোলেৰে সেই ছবিবোৰকো ছুই গৈছে।

মুঠতে চৌধাৰীদেৱে আধুনিক অসমীয়া প্ৰকৃতি - কবিতাক গীত আৰু সৌন্দৰ্যৰে সমৃদ্ধ কৰিছে। তেওঁৰ পৰ্যবেক্ষণ নিবিড় আৰু সৌন্দৰ্য স্পৃহা অবিৰত। 'ব'হাগী বিদায়'ৰ পৰা 'নৱ-মল্লিকা'ৰ কথা কবিতালৈকে হৰমোহনৰ উপবনৰ দৰে কিমান ফুলৰ সৌৰভ সম্পৃক্ত সুক্ষ্ম সৌন্দৰ্য তেওঁ আমাক দিছে; কত বিহগৰ কণ্ঠ কূজন আমাৰ মানসত অনুৰণিত কৰিছে। তেওঁৰ অসাধাৰণ প্ৰকৃতি-প্ৰীতিয়ে প্ৰকৃতিৰ জীৱন-বুৰঞ্জীত নব্য-পৌৰাণিক আখ্যান আৰোপ কৰিছে আৰু বাণীচিত্ৰৰে অসমীয়া কাব্যক সমৃদ্ধ কৰিছে। ভাষা, ৰচনাশৈলী, চিত্ৰকল্প, ছন্দ প্ৰয়োগ আদিৰ ফালৰ পৰা কবিৰ এককতা পৰিলক্ষিত হয়। কালিদাস আদিৰ প্ৰাচীন সংস্কৃত কাব্যৰ চৰ্চাই তেওঁৰ ভাষা আৰু চিত্ৰকল্পক সমৃদ্ধ কৰিছে। আধুনিক ৰোমাণ্টিক কবিতাত তেওঁ ধ্ৰুপদী ৰীতি প্ৰৱৰ্তন কৰিছে। তৎসম শব্দৰ প্ৰচুৰ ব্যৱহাৰে এফালে যেনেকৈ কিছুমান কবিতাক এক ক্লাছিকেল গাম্ভীৰ্য দিছে, আনফালে তেনেকৈ কিছুমান শাৰীত ঘৰুৱা আৰু পোনপটীয়া প্ৰকাশে তেওঁৰ কাব্যক প্ৰাঞ্জলতা দান কৰিছে আৰু একোটা ঘৰুৱা পৰিৱেশ সৃষ্টি কৰিছে। 'জোনাকী' যুগৰ প্ৰথম তৰপৰ কবিসকলক নৱন্যাস নতুন উচ্ছাস আছিল। কিন্তু ছন্দৰ সাৱলীলতা আৰু ভাষাৰ কাব্যসুলভ মসৃণতা চৌধাৰীদেৱৰ কবিতাতহে পোনতে পূৰ্ণাংগ ৰূপত প্ৰকাশ হোৱা বুলি ক'ব পাৰি। অসমীয়া কাব্যৰ বুৰঞ্জীত চৌধাৰীদেৱৰ স্থান অবিসম্বাদিতভাৱে অতি উচ্চত। এই ক্ষেত্ৰত আমাৰ কবি সফল হোৱা বুলি ক'ব পাৰি।